**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-02-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

অসম সাহিত্য সভাৰ সপ্ত সপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি তৃতীয় দিন। পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত আজি সাহিত্য সভাৰ নতুন সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক ময়ুৰপংক্ষী ৰথত লৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। পদ্মভূষণ স্বীকৃতি প্ৰাপ্ত নৃত্যাচাৰ্য্য যতীন গোস্বামীয়ে সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে। সাংস্কৃতিক শোভাযাত্ৰাৰ অন্তত সাহিত্য সভাৰ পাঠশালা অধিবেশনৰ মুকলি সভা অনুষ্ঠিত হয়। সাহিত্যিক ফনীন্দ্ৰ কুমাৰ দেবচৌধুৰীয়ে প্ৰথমখন মুকলি সভা উদ্বোধন কৰে। ইয়াৰ পাছতে অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকাই নতুন সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক আদৰণি জনাই সভাপতিৰ দায়িত্ব অৰ্পন কৰে। ড° গোস্বামীয়ে সভাপতিত্ব কৰা প্ৰথমখন মুকলি সভাত আদৰণি সমিতিৰ সভাপতি হিচাপে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আদৰণি ভাষণ আগবঢ়ায়। মুকলি সভাত সাহিত্য সভাৰ নতুন সভাপতি বসন্ত কুমাৰ গোস্বামীয়ে আগবঢ়োৱা অভিভাষণত অসম সাহিত্য সভাই নবীন প্ৰবীন সকলোকে একেলগে লৈ আগবাঢ়িব লাগিব বুলি মন্তব্য কৰে। লগতে সাহিত্য সভাত কোনো নেতাৰ স্থান নাই বুলি উল্লেখ কৰি ড° গোস্বামীয়ে কয়, যে ভাষিক উন্মাদনাই অসমীয়া ভাষা জীয়াই ৰাখিব নোৱাৰে। সাহিত্য সভাই জাতীয়তাবাদ আৰু অৰ্থনৈতিক জাতীয়তাবাদৰ সৃষ্টি কৰিব লাগিব আৰু ইয়াৰ বাবে সাহিত্য সভাৰ ভাষাসমূহ অধিক শক্তিশালী কৰি তুলিব লাগিব। সময়ে সময়ে অসমত পাঠকৰ অভাৱ বুলি হোৱা সমালোচনা সন্দৰ্ভত মন্তব্য কৰি ড° গোস্বামীয়ে কয়, যে পাঠক সন্দৰ্ভত আজিলৈ জৰীপ হোৱা নাই। কোনবোৰ লেখাৰ প্ৰতি পাঠক উৎসুক সেয়াও স্পষ্ট নহয়। শিশুসকলক মাতৃভাষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈ সাহিত্য সভাই অনাগত দুটা বছৰ কাম কৰিব বুলিও ড° গোস্বামীয়ে অভিভাষণত মন্তব্য কৰে। প্ৰশাসনিক ক্ষেত্ৰত অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈও ড° গোস্বামীয়ে আহ্বান জনায়। ড° গোস্বামীয়ে লগতে কয়, যে ইউনিকোডত অসমীয়া ভাষা প্ৰতিষ্ঠিত কৰিবলৈ এটা দল গঠন কৰিব লাগিব। ২০২৫ বৰ্ষতো চৰকাৰে গ্ৰন্থ বৰ্ষ হিচাপে ঘোষণা কৰাক লৈও স্বাভাৱিকতে আনন্দিত হোৱা বুলি ড° গোস্বামীয়ে কয়। অনাগত দুটা বছৰত শংকৰদেৱৰ ৰচনাৱলী, হিন্দী ইংৰাজী ভাষালৈ অনুবাদ কৰাৰ লগতে শিশুসকলৰ বাবে ভ্ৰাম্যমান পুথিভঁড়ালৰ ব্যৱস্থা কৰা হ'ব বুলিও ড° গোস্বামীয়ে অভিভাষণত উল্লেখ কৰে।

এই সভাতে সন্মানীয় অতিথি হিচাপে নেপালৰ ত্ৰিভূৱন বিশ্ববিদ্যালয়ৰ অধ্যাপক মাধৱ পোখৰেলে অংশগ্ৰহণ কৰাৰ লগতে সন্মানীয় অতিথি হিচাপে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়া, কনক সেন ডেকা, ৰংবং টেৰাং, ইমৰাণ শ্বাহ, ড° ধ্ৰুৱজ্যোতি বৰা, ড° পৰমানন্দ ৰাজবংশী, কুলধৰ শইকীয়া আৰু প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি প্ৰহ্লাদ চন্দ্ৰ টাছাই অংশগ্ৰহণ কৰে। একেখন সভাতে আমন্ত্ৰিত অতিথি হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জল কুমাৰ ভট্টাচাৰ্যই অংশগ্ৰহণ কৰে।

**ধ্ৰুপদী অসমীয়া ভাষা** শীৰ্ষক এখন আলোচনা চক্ৰৰে আজিৰ কাৰ্যক্ৰমণিকাৰ শুভাৰম্ভ কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অৰ্পনা কোঁৱৰে উদ্বোধন

কৰা আলোচনাসত্ৰখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক কনক চন্দ্ৰ চহৰীয়াই সঞ্চালনা কৰে। আলোচনাসত্ৰখনত গৱেষক, সাহিত্যিক, লিপি বিশেষজ্ঞ অশোক শৰ্মা, কটন বিশ্ববিদ্যালয়ৰ পূৰাতত্ব বিভাগৰ অধ্যাপক ড° মঞ্জিল হাজৰিকা আৰু পশ্চিমবংগৰ বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ভাৰপ্ৰাপ্ত প্ৰধান ড° সংগীতা শইকীয়াই আলোচক হিচাপে অংশগ্ৰহণ কৰে। আজি তৃতীয় দিনাৰ কাৰ্যসূচীতো হাজাৰ হাজাৰ লোকৰ সমাগম হৈছে বুলি আমাৰ আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিয়ে।

০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নাজিৰা জিলা শাখাৰ ৩২ সংখ্যক অধিৱেশনৰ তৃতীয় দিনা আজি বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হয়। যোৱা ৩১ জানুৱাৰীৰ পৰা অনুষ্ঠিত অধিৱেশনৰ আজি অন্তিম দিনা ভাগৱত আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱাৰ লগতে মুকলি সভাও অনুষ্ঠিত হয়। আজি সন্ধিয়া মহিলাসকলে গুৰুজনা ৰচিত ভাওনা প্ৰদৰ্শন কৰিব। ভাগী ধোপাবৰ আঞ্চলিক শাখাৰ উদ্যোগত শাখাৰ নামঘৰ প্ৰাংগণত অনুষ্ঠিত এই অধিৱেশনত শিশু, মহিলা, যুৱক-যুৱতীৰ লগতে বহুসংখ্যক ভকত-বৈষ্ণৱে অংশগ্ৰহণ কৰিছে।

০০০০০০০

উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই ADVANTAGE ASSAM শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এখন বৈঠকত মিলিত হয়। সন্মিলনখন সাফল্যমণ্ডিত কৰাৰ উদ্দেশ্যে বৈঠকখনত পৰিকল্পনা প্ৰস্তুত কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰৰ ভাৱাদৰ্শৰ সৈতে সংগতি ৰাখি প্ৰস্তুত কৰা পৰিকল্পনাসমূহৰ ৰূপায়ণ সন্দৰ্ভত বৈঠকখনত আলোচনা কৰা হয়। বৈঠকখনত অসম ঔদ্যোগিক উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক মানবেন্দ্ৰ প্ৰতাপ সিঙকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**